**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা শনিবাৰে বিমানেৰে অৱতৰণ কৰিবলগীয়া মৰাণৰ ৰাষ্ট্ৰীয় ঘাইপথত বায়ুসেনাৰ যুঁজাৰু বিমানৰ অনুশীলন।

২। উচ্ছেদ অভিযানত ৰাজ্যৰ ১ লাখ ২৫ হাজাৰৰো অধিক বিঘা ভূমি দখলমুক্ত।

৩। ভোটদাতাৰ তালিকা সম্পৰ্কীয় ওজৰ-আপত্তি ১৫ দিনৰ ভিতৰত জিলা দণ্ডাধীশক আবেদনযোগে অৱগত কৰিবলৈ ৰাজ্যৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ আহ্বান।

৪। ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে বাছনি লাভ কৰা এহেজাৰ ৮৭৯ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি প্ৰদান। ***আৰু***

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-চিৰ এখন খেলত ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে অহা শনিবাৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। মৰাণত শ্ৰীমোদীয়ে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কেইবাখনো যুঁজাৰু বিমানেও ঘাইপথত অৱতৰণ কৰাৰ কথা। একাংশ বিমানে আকাশত উৰণ কৌশলো প্ৰদৰ্শন কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। মুকলিৰ পাছত প্ৰথম ১৫ দিন দলংখন যান-বাহন চলাচলৰ বাবে বন্ধ থাকিব। এই সময়ছোৱাত জনসাধাৰণে দলংখনেৰে খোজকাঢ়ি অহা-যোৱা কৰিব পাৰিব। দলংখনেৰে পহিলা মাৰ্চৰ পৰা বাহন চলাচল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। সংবাদমেলত দলংখনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এনেদৰে কয়—

**বাইট (চি এম)**

শ্ৰীমোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰাৰ পাছত গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শনিবাৰে বিমানেৰে অৱতৰণ কৰিবলগীয়া মৰাণৰ ৰাষ্ট্ৰীয় ঘাইপথত বায়ুসেনাৰ যুঁজাৰু বিমানৰ অনুশীলন অব্যাহত আছে। মৰাণৰ জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত শ্ৰীমোদীৰ উপস্থিতিত অহা ১৪ ফেব্ৰুৱাৰীত ৰাফেল, ছুখয়, হাৰ্কিউলিছৰ দৰে কেইবাখনো যুঁজাৰু বিমানে মাজ আকাশত উৰণ কৌশল প্ৰদৰ্শন কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত আৰক্ষী আৰু সেনাই কটকটীয়া নিৰাপত্তা বেষ্টনী গঢ়ি তুলিছে।

ooooo

ৰাজ্যৰ বিভিন্ন বনাঞ্চলত উচ্ছেদ চলাই ১ লাখ ২৫ হাজাৰ ৩২৬ বিঘা মাটি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। দিছপুৰৰ লোকসেৱা ভৱনত সংবাদমেল সম্বোধন কৰি তেওঁ উচ্ছেদ সম্পৰ্কত বিস্তৃত তথ্য প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদমেলত কয়, যে এতিয়াৰ পৰা বনাঞ্চলত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত কোনো বাধা নাথাকিব। উল্লেখযোগ্য যে বনাঞ্চলত উচ্ছেদ চলোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ অধিকাৰ আছে বুলি উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশনাৰ কথা তেওঁ সংবাদমেলত অৱগত কৰে। বনভূমিত চলোৱা উচ্ছেদ সম্পৰ্কে উচ্চতম ন্যায়ালয়ত তৰা গোচৰৰ ভিত্তিত ৩০০ গৰাকী আবেদনকাৰীৰ ভূমিত সৰ্বোচ্চ ন্যায়ালয়ে, ৰাজ্য চৰকাৰক উচ্ছেদ নচলাবলৈ নিৰ্দেশ দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নগাঁও আৰু গোলাঘাট জিলাত বনভূমিৰ ভালেমান এলেকাত ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান বন্ধ ৰখা বুলিও মুখ্যমন্ত্ৰীয়ে সংবাদমেলত প্ৰকাশ কৰে। উচ্ছেদ সম্পৰ্কত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়---

**বাইট (চি এম)**

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীৰ জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত আয়োজিত এখন সভাত অংশগ্ৰহণ কৰি  বজালী, বৰপেটা আৰু নলবাৰী জিলাৰ সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে। এই অনুষ্ঠানত বজালী জিলাৰ এহেজাৰ ২০৬ গৰাকী, বৰপেটাৰ দুহেজাৰ ৩৬২ গৰাকী আৰু নলবাৰীৰ দুহেজাৰ ২২০ গৰাকীকে ধৰি মুঠ ৫ হাজাৰ ৭৮৮ গৰাকী সম্ভাব্য উদ্যোগীয়ে এই ধন লাভ কৰে। সাধাৰণ শাখাৰ প্ৰতিগৰাকীলৈ দুই লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ প্ৰতিগৰাকী ব্যক্তিলৈ ৫ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ যুৱক-যুৱতীসকলৰ মাজত উদ্যমশীলতাৰ মনোভাৱ বৃদ্ধি কৰি তেওঁলোকক স্বাৱলম্বী কৰি তোলাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰে।

বাইট- মুখ্যমন্ত্ৰী

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে নলবাৰীৰ উন্নয়নৰ লক্ষ্যৰে কেইবাটাও  প্ৰকল্প জনসাধাৰণৰ বাবে উৎসৰ্গা কৰে। তেওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, অভিৰৰ্তন কেন্দ্ৰ, জিলা ষ্টেডিয়াম আৰু অসম এথলেটিক্স সন্থাৰ উদ্যোগত ৰাজ্যখনত স্থাপন কৰা প্ৰথমখন এথলেটিক একাডেমী মুকলি কৰে। এই অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জয়ন্ত মল্লবৰুৱাৰ লগতে কেইবাগৰাকীও  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

ভোটদাতাসকলে নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ কোনো সিদ্ধান্ত মনপুত নহ'লে ১৫ দিনৰ ভিতৰত জিলা দণ্ডাধীশৰ ওচৰত আবেদন জনাব পাৰিব। ইয়াৰ পাছতো সন্তুষ্ট নহলে ৩০ দিনৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়াৰ

ওচৰত দ্বিতীয় আবেদন দাখিল কৰিব পৰা যাব বুলি ৰাজ্যৰ মুখ্য নিৰ্বাচন আয়ুক্ত অনুৰাগ গোৱেলে আজি গুৱাহাটীত এখন সংবাদমেলত সদৰি কৰে।

বাইট ঃ গোৱেল

ৰাজ্যত কালি প্ৰকাশ পোৱা বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে মাৰ্চৰ প্ৰথম সপ্তাহৰ নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব পাৰে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ প্ৰকাশিত বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে। চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ১ কোটি ২৪ লাখ ৮২ হাজাৰ ২১৩ গৰাকী পুৰুষ ভোটদাতা আছে। ৰাজ্যখনত মহিলা ভোটদাতাৰ সংখ্যা হৈছে ১ কোটি ২৪ লাখ ৭৫ হাজাৰ ৫৮৩। ইয়াৰ উপৰি ৰাজ্যখনত ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে।

কালি ৰাজ্যখনৰ সকলো জিলা আয়ুক্তই সংশ্লিষ্ট জিলাসমূহৰ বাবে চূড়ান্ত ভোটাৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। এই অনুসৰি দৰং জিলাৰ দলগাঁও বিধানসভা সমষ্টি ৩ লাখ ১৫ হাজাৰ ২৮৪ গৰাকী ভোটদাতাৰে সৰ্বাধিক ভোটদাতা থকা সমষ্টি হিচাপে পৰিগণিত হৈছে।

একেদৰে ১ লাখ ৯৭ গৰাকী ভোটদাতাৰে ১১২ নম্বৰ আমৰি বিধানসভা সমষ্টি সৰ্বনিম্ন ভোটদাতা থকা সমষ্টি হিচাপে বিবেচিত হৈছে। মানকাচৰ সমষ্টিত সৰ্বাধিক ৪০২ টা আৰু দুই নম্বৰ দতমা সমষ্টিত সৰ্বনিম্ন ১৪৬ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ০০০০

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে বাছনি লাভ কৰা এহেজাৰ ৮৭৯ গৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰে। নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলক অভিনন্দন জনাই মুখ্যমন্ত্ৰীয়ে এতিয়ালৈকে ১লাখ ৫৮হাজাৰ ৩৭৩গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰা হৈছে আৰু অনাগত দিনসমূহতো এই কাৰ্য অব্যাহত ৰাখিবলৈ চৰকাৰ সংকল্পবদ্ধ বুলি প্ৰকাশ কৰে। আজি নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলৰ ভিতৰত লোকনিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত সৰ্বাধিক ৬৪২ গৰাকী, কৃষি উন্নয়ন বিষয়া পদত ১৯৩ গৰাকী, জলসম্পদ বিভাগৰ কনিষ্ঠ অভিযন্তা পদত ১৪২ গৰাকী আৰু হস্ততাঁত বস্ত্ৰশিল্প তথা ৰেচম বিভাগত ৰেচম প্ৰদৰ্শক হিচাপে ১২৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হয়। খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই নিযুক্তি পত্ৰ বিতৰণ কৰে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষক বদলিকৰণৰ উদ্দেশ্যে আজি এটা প'ৰ্টেল মুকলি কৰে। এখন সংবাদমেল যোগে  শিক্ষামন্ত্ৰী শ্ৰীপেগুৱে এই সম্পৰ্কে জানিবলৈ দিয়ে। তেওঁ কয়, যে অসমত আন ৰাজ্যৰ তুলনাত ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানৰ সংখ্যা অধিক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন সময়ত বদলিকৰণ বিচাৰে। ২০১৭ চনৰ পৰা ৰাজ্যত আন্তঃজিলা বদলিকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ বিষয়েও তেওঁ সংবাদমেলত উল্লেখ কৰে। ৰাজ্যৰ বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বদলিকৰণ আইনৰ ইতিমধ্যে সংশোধন কৰা হৈছে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে বহিঃজিলাত কৰ্মৰত শিক্ষয়িত্ৰীসকলে নূন্যতম ৫ বছৰ আৰু

শিক্ষকসকলে ৭ বছৰ সেৱা আগবঢ়োৱাৰ পাছত বদলিৰ বাবে আবেদন কৰিব পাৰিব। দিব্যাংগ শিক্ষকৰ ক্ষেত্ৰত এই সময় ২ বছৰ ধাৰ্য কৰা হৈছে। স্বচ্ছ আৰু প্ৰযুক্তি চালিত বদলিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ২০২২ৰ পৰা ২০২৬ চনৰ ভিতৰত ৰাজ্যজুৰি ৪২ হাজাৰ ৮১৩ গৰাকী শিক্ষকৰ বদলি সম্পন্ন কৰা হৈছে বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শিক্ষকৰ বদলিকৰণ সন্দৰ্ভত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে সাংবাদিকৰ আগত এইদৰে কয়--

**বাইট (ডাঃ পেগু)**

চলিত মাহৰ ভিতৰতে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৪ হাজাৰ ৫০০টা পদত শিক্ষক নিযুক্তি দিয়া হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। বিটিচিৰ পদ প্ৰাদেশিকীকৰণ আইন ৰূপায়ণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পূৰ্ণ সহযোগ কৰিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে।

০০০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্ক' এলেকাৰ এটা অবৈধ কয়লা খনিত হোৱা বিস্ফোৰণত কেইবাজনো শ্ৰমিক নিহত হোৱা ঘটনা সংক্ৰান্তত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। আয়োগে মেঘালয়ৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক বিষয়টো সন্দৰ্ভত দুসপ্তাহৰ ভিতৰত বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। প্ৰাপ্ত বাতৰি মতে এই ঘটনাৰ ফলত আন কেইবাজনো শ্ৰমিক আৱদ্ধ হৈ আছে। আয়োগে কৈছে যে যদিহে এই বাতৰি সত্য তেন্তে ভুক্তভোগীসকলৰ মানৱ অধিকাৰ উলংঘাৰ বিষয়টো স্পষ্ট হৈছে। মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানে দাখিল কৰিবলগীয়া প্ৰতিবেদনত উদ্ধাৰ অভিযানৰ স্থিতি, শোকসন্তপ্ত পৰিয়ালসমূহলৈ আগবঢ়োৱা ক্ষতিপূৰণ, আৰক্ষীৰ তদন্ত আৰু ভৱিষ্যতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে কৰ্তৃপক্ষসমূহে লোৱা পদক্ষেপ আদি বিষয় সামৰি লোৱাৰ সম্ভাৱনা আছে।

০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটখন ঐতিহাসিক আৰু ভৱিষ্যমুখী বুলি আখ্যা দিছে। তেওঁ আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে এইবাৰৰ বাজেটত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ বাবে অভিলেখ পৰিমাণৰ ধন আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় বাজেট অনুসৰি অসমে কৰ হস্তান্তৰকৰণৰ অংশ হিচাপে ৪৯ হাজাৰ ৭২৫ কোটি টকা লাভ কৰিব আৰু বাজেটত আত্মসমৰ্পণ কৰা আলফা সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৫০০ কোটি টকাসহ বিশেষ পেকেজৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উন্নয়নৰ বাবে বিশেষ পেকেজৰ অধীনত ৫ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে বুলি শ্ৰীচৌহানে উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দি অহা অগ্ৰাধিকাৰ অনুসৰি উচ্চ প্ৰযুক্তিগত প্ৰয়োগৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত বিৰল খনিজ পদাৰ্থৰ বাবে অসমত এটা সুকীয়া কৰিড'ৰ বিকশাই তোলা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ উন্নয়ন গাথাৰ চালিকা শক্তিৰূপে গণ্য কৰে আৰু এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে ১১ হাজাৰ ৪৮৬ কোটি টকা আবণ্টন দিয়া হৈছে। তেওঁ লগতে দুখীয়া জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশৰ পৰা বাজেটখনক অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে।

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে ২০২৬ ৰবি বৰ্ষৰ বাবে মূল্য সমৰ্থন আঁচনিৰ অধীনত ন্যূনতম সমৰ্থন মূল্যত ৬০ হাজাৰ ৫০০ মেট্ৰিক টন সৰিয়হ ক্ৰয়ৰ বাবে অসম চৰকাৰৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংবাদমেলত সদৰি কৰে।

০০০০০

কেইবাটাও শ্ৰম সংগঠনৰ উমৈহতীয়া মঞ্চই কাইলৈ পুৱা ৬ বজাৰ পৰা আহ্বান দিয়া সাধাৰণ ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত কাইলৈ ১২ ফেব্ৰুৱাৰী বৃহস্পতিবাৰে আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া লোক সংগীতৰ অডিচন অথবা কণ্ঠ পৰীক্ষা স্থগিত ৰখা হৈছে। এই পৰীক্ষাৰ পৰৱৰ্তী তাৰিখ পাছত ঘোষণা কৰা হ'ব বুলি সংগীত বিভাগে জনাইছে।

০০০০০

পুৰুষৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই আয়াৰলেণ্ডক ৬৭ ৰানত  পৰাস্ত কৰে। খেলখনত অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৬ অভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইয়াৰ পূৰ্বে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ দিৰ এখন ৰোমাঞ্চকৰ খেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক চুপাৰ অভাৰৰ সহায়ত পৰাভূত কৰে। খেলখনত  দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ১৮৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আফগানিস্তানেও ১৯ অভাৰ আৰু ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰে। খেলখন অমিমাংসিত হৈ ৰোৱাত চুপাৰ অভাৰৰ সহায় লবলগীয়া হয়। প্ৰথমটো চুপাৰ অভাৰত আফগানিস্তানে ১৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাৰ ত্ৰিষ্টান ষ্টাবছে অন্তিমটো বলত চিক্স কোবাই সমান সংখ্যক ৰান সংগ্ৰহ কৰে। দ্বিতীয় চুপাৰ অভাৰত দক্ষিণ আফ্ৰিকাই ২৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আফগানিস্তানে ১৯ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইপিনে, মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কিছুসময় পাছত  হ'বলগীয়া গ্ৰুপ চিৰ এখন খেলত ৱেষ্ট ইণ্ডিজ - ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ